# CULTURAL TOURISM IN THE NORTH-EAST

## *Problems & Prospects*





EDITOR : UTPAL DUTTA

Published by Unika Prakashan, Jorhat
on behalf of
Jorhat College
M. G. Road, Jorhat, Assam

First Edition-2011

© Jorhat College

**Editorial Board**

**Editor** : Utpal Dutta

**Members** : Mrs. M.G. Thakur
Mrs. B.S. Kotoky
Mr. S. Puzari

**ISBN : 978-81-921869-9-7**

***Rs. 500.00 (Rupees Five Hundred Only)***

All rights reserved. No part of this publication may be reproduced, stored in a retrieval system, or transmitted in any form or by any means, without the prior permission in writing from Jorhat College

Printed at
**Unika Offset Printers**
Road, Jorhat-1

40. মাজুলীৰ সত্ৰানুষ্ঠানৰ সাংস্কৃতিক অৱদান আৰু পৰ্যটন ক্ষেত্ৰৰূপে ইয়াৰ সম্ভাৱনীয়তা
*বাণী বৰা* 392

41. অসমৰ সাংস্কৃতিক পৰ্যটনৰ বিকাশত মাজুলীৰ ৰাসোৎসৱৰ ভূমিকা
*কপালী বৰা* 401

42. কাৰ্বি জনগোষ্ঠীৰ লোক উৎসৱ : এক সামগ্ৰিক অধ্যয়ন
*কৃষ্ণজ্যোতি নাথ* 416

43. অসমৰ চাহ-জনগোষ্ঠী সমাজৰ বিবাহ অনুষ্ঠান (যোৰহাট জিলা গটিঙা চাহ বাগিছা অঞ্চলত ক্ষেত্ৰ ভিত্তিক অধ্যয়ন)
*নিকুমণি বনিয়া* 430

44. মিচিংসকলৰ কৃষিভিত্তিক লোক উৎসৱ : সাংস্কৃতিক পৰ্যটনৰ সম্ভাৱনীয়তা
*তৰুণ নয়িং* 446

45. অৰুণাচল প্ৰদেশৰ নিচি জনগোষ্ঠীৰ লোক বিশ্বাস
*মিনতি গগৈ* 452

46. অসমৰ লোক উৎসৱ : এটি আলোচনা
কমল দুৱৰা, জ্যোৎস্না বড়া 460

47. পৰ্যটকৰ অন্যতম আকৰ্ষণ ঢকুৱাখনাৰ ফাটবিহু : এক বস্তুনিষ্ঠ অধ্যয়ন
*ড° দিগন্ত কুমাৰ ফুকন, উৎপল দত্ত* 474

48. অসমৰ মৃৎশিল্প— সমস্যা আৰু পৰ্যটনৰ সম্ভাৱনীয়তা
*ড° বীণাপাণি দেৱী* 482

49. NAMPHAKE — A Village with Tourism Potential
*Monisha Duara* 491

50. A Glimpse of The Folklore of the Sonowal Kacharis of Assam with special reference to their Folk-Dances
*Pankajpani Saikia* 500

# মিচিংসকলৰ কৃষিভিত্তিক লোক উৎসৱ ঃ এক সাংস্কৃতিক পৰ্যটনৰ সম্ভাৱনীয়তা

তৰুণ লয়িং

অৱতৰণিকা ঃ

ভাৰতবৰ্ষৰ উত্তৰ-পূবত অৱস্থিত অসম প্ৰদেশ নানা জাতি-জনজাতি, ভাষা-ভাষীৰ আবাস ভূমি। ইয়াতে ভিন ভিন গোষ্ঠীৰ সাংস্কৃতিক ঐতিহ্যরে গঢ় লৈ উঠিছে এক বৃহৎ অসমীয়া জাতি আৰু সংস্কৃতি। সেয়ে, অসমীয়া জাতিৰ জীৱন প্ৰবাহত নানান নৃ-গোষ্ঠীয় সাংস্কৃতিক উপাদান লক্ষ্য কৰা হয়। অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত উৎকৰ্ষ যোগোৱা এনে এটা জনগোষ্ঠী হৈছে মিচিংসকল।

লোকপিয়ল অনুযায়ী মিচিংসকল অসমৰ দ্বিতীয় সংখ্যাগৰিষ্ঠ ভৈয়াম জনজাতি। নৃ-তাত্ত্বিক বিচাৰত মিচিংসকল মংগোলীয় গোষ্ঠীৰ লোক। ভাষাতাত্ত্বিক দৃষ্টিকোণৰ পৰা লক্ষ্য কৰিলে তেওঁলোকৰ ভাষাটো চীন-তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বত-বৰ্মী শাখাৰ উত্তৰ-অসম উপশাখাৰ অন্তৰ্গত। বৰ্তমান তেওঁলোক অসমৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ধেমাজি, লক্ষীমপুৰ, শোণিতপুৰ আৰু দক্ষিণপাৰে তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট জিলাত বসতি কৰি আছে। তদুপৰি অৰুণাচল প্ৰদেশৰ লোহিত, চিয়াং আৰু ডিবাং উপত্যকাতো মিচিংসকলৰ বসতি পোৱা যায়। মিচিং সকলৰ বিভিন্ন সাংস্কৃতিক বৈশিষ্ট্যৰে অন্যতম, কৃষিভিত্তিক লোক উৎসৱ।

লুগাং উৎসৱৰ দিনা 'লুগাগ' অৰ্থাৎ বীজ সিঁচাৰ মাঙ্গলিক কাৰ্য কৰিবলৈ গৃহস্থই বাৰীৰ একুকত নাইবা পথাৰৰ একুকত এডোখৰ ঠাই কোৰেৰে চহ কৰি বীজ ৰোপনৰ মাংগলিক কাৰ্য সম্পাদন কৰে। তেনে মাংগলিক কাৰ্য কৰাৰ সময়ত গৃহস্থই 'মিবু গালুক' (দেওধায়ে পিন্ধা চোলা) 'গনৰ উগন্' (ধুতি) 'দগনী' (এবিধ মণি) পৰিধান কৰি চন্দ্ৰ-সূৰ্য, আকাশ-পাতাল, মেঘ-বৰষুণ, উপৰিপুৰুষসকলক স্মৰণ কৰি অতি ভক্তিৰে আশীৰ্বাদ বিচাৰে যাতে পথাৰৰ শস্য বছৰটোৰ বাবে নদন-বদন হৈ থাকে। পথাৰৰ পৰা ঘূৰি অহাৰ পিছত ঘৰত পুৰাং আপিন (পাতেৰে মেৰিয়াই সিজোৱা ভাত), গাহৰি মাংস, ছাই মদ আৰু মাটি মাহৰ আঞ্জাৰে আহাৰ গ্ৰহণ কৰে।

সন্ধিয়াৰ পৰা 'গুমৰাগ চঃমান' (বিহু) আৰম্ভ হয়। কিছুমান ঠাইত এই বিহু দুই-তিনি দিনলৈকে পালন কৰে। মিচিং জনবিশ্বাস মতে গুটি সিঁচা পাঁচ দিনত গজালি মেলে। সেয়েহে পাঁচ দিনৰ মূৰত 'লৃঃলেন' উৎসৱ পতা হয়। সেইদিনা গাঁৱত কাৰোবাৰ ঘৰত বাৰূহৰা ভোজ খাই নৃত্য-গীত কৰি উৎসৱৰ সামৰণি মাৰে। আলি-আই-লৃগাঙৰ কেউদিন মিচিংসকলে কিছুমান গেনা পালন কৰে। মাটি কটা, পথাৰত দুই জুলোৱা, গছ কটা আদি কাম নকৰে। তেলত ভজা আঞ্জা, টেঙা-কেহা ফল-মূল খোৱা সেই সময়ত নিষিদ্ধ। পূৰ্বতে লৃগাঙৰ আগদিনা চিকাৰ কৰাৰ প্ৰথা প্ৰচলিত আছিল। সম্প্ৰতি অৰণ্যসমূহ সংকুচিত হোৱাৰ লগে লগে আৰু বন বিভাগৰ নীতি-নিৰ্দেশনা পালন কৰি চিকাৰ কৰা প্ৰথাৰ বিলুপ্ত হৈছে।

(খ) 'পঃ ৰাগ' হৈছে মিচিংসকলৰ আন এটি কৃষি ভিত্তিক লোক-উৎসৱ। এই উৎসৱ সাধাৰণতে খেতি চপাই শেষ হোৱাৰ পিছত পতা হয় বাবে ইয়াক নৱাচিগা বিহু বুলিও কোৱা হয়। পঃৰাগ উৎসৱত গাঁৱৰ সকলো জীয়ৰীক নিমন্ত্ৰণ কৰা হয়।

পঃৰাগ উৎসৱ তিনিদিন ধৰি পালন কৰা দেখা যায়। প্ৰথম দিনা ৰাতি 'মিবু দাগনাম্' অনুষ্ঠান পতা হয়। এই অনুষ্ঠানত মিবুৰ সৈতে ডেকা-গাভৰুৱে শাৰী শাৰীকৈ নৃত্য কৰে। এই নৃত্যৰ ছন্দে ছন্দে 'আবাং' গীত গোৱা হয়। মিবুৱে সেইদিনা অতিমানবীয় শক্তিৰে সকলো লোকৰ মংগলামংগল বিচাৰ

কৰি উৎসৱত বধ কৰা গাহৰিৰ আগমঙহত 'আচিন-তাগিৰ' বা মংগল চায়। দ্বিতীয় দিনা নিমন্ত্ৰিত অতিথিসকলক (মিনম) শুশ্ৰূষা কৰা হয়। পঃৰাগ উৎসৱত সাধাৰণতে চুবুৰীয়া গাঁৱৰ উপৰিও দুৰ-দুৰণিৰ ডেকা-গাভৰুসকলক নিমন্ত্ৰণ কৰা হয়। তেওঁলোকৰ মাজত ঢোল বজোৱা, অইনিঃতম গোৱা আৰু নৃত্যত পাকৈত সকলক বাছি অনা হয়। এই নৃত্য-গীতবোৰ চাবলৈ অহা বিভিন্ন অঞ্চলৰ দৰ্শকেৰে পঃৰাগ উৎসৱৰ থলী ভৰি পৰে।

পঃৰাগ উৎসৱৰ বাবে মুৰং ঘৰ অপৰিহাৰ্য। মুৰংঘৰ সাধাৰণতে গাঁৱৰ সোঁমাজত নাইবা যিকোনো মুকলি ঠাইত পুব-পশ্চিমাকৈ বাঁহ, কাঠ আৰু খেৰেৰে নিৰ্মাণ কৰা হয়। মুৰংঘৰত বেৰ নাথাকে। এই মুৰংঘৰত পঃৰাগৰ কেউনিশা ডেকা-গাভৰু আৰু আলহীসকল শোৱে। মুৰঙৰ চাঙত একালে ডেকা আৰু আনফালে গাভৰুসকল শোৱে।

**মিচিংসকলৰ লোক উৎসৱ আৰু সাংস্কৃতিক পৰ্যটন :**

আলি-আই-লৃগাঙত গাঁৱৰ ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৱে মন আনন্দৰে ভৰি পৰে। পুৰুষে 'মিবু গালুক' আৰু 'গনৰ উগন' পিন্ধে। সেইদৰে তিৰোতাসকলে 'ৰিবি গাচাং' আৰু 'এগে' পৰিধান কৰে। এই সাজ-পোচাকবোৰত ব্যৱহাৰ কৰা ৰঙা, কলা, সেউজীয়া ৰঙে সকলোকে আকৰ্ষণ কৰে। বিশেষকৈ মিচিং শিল্পীয়ে বিভিন্ন ৰঙৰ সমাহাৰত বৈ উলিওৱা চাদৰ-মেখেলাই সম্প্ৰতি যথেষ্ট সমাদৰ লাভ কৰিছে। মিচিংসকলৰ গুমৰাগ নৃত্য স্বকীয় কলা-কৃষ্টিৰে পৰিপূৰ্ণ। গুমৰাগ নাচত প্ৰথমে ঘূৰি ঘূৰি, ভৰি এবাৰ আগলৈ-এবাৰ পিচলৈ দি যিটো মুদ্ৰাত নচা হয় সেই নৃত্য কোমল আৰু সাৱলীল গতিৰ। গুমৰাগ নৃত্যত ব্যৱহাৰ কৰা দুমদুম (ঢোল) 'লুংপি' (তাল) 'পেম্পা' (পেঁপা) আদি বাদ্যৰ ব্যৱহাৰ কৰা হয়। এই গুমৰাগ নৃত্যতে ডেকা-গাভৰুসকলে ঐনিঃতম পৰিবেশন কৰে। বুঢ়া-বুঢ়ীসকলে গোৱা 'লেকে-নিঃতম' আৰু মুখেৰে বজোৱা ঢোল (নাপপাং-দুমদুম) বেছি আমোদজনক। ল'ৰা-ছোৱালী, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৱে মিলি পৰিবেশন কৰা এনে অনুষ্ঠানে সাংস্কৃতিক পৰ্যটনৰ সম্ভাৱনীয়তা আছে।

**মিচিংসকলৰ লোক-উৎসৱত সাংস্কৃতিক পৰ্যটনৰ সমস্যা ঃ**

মিচিংসকল ঘাইকৈ নদীৰ পাৰত বাস কৰে। তেওঁলোকৰ শতকৰা ৯০ শতাংশই কৃষিকাৰ্যৰ লগত জড়িত। সাংস্কৃতিক পৰ্যটনৰ গুৰুত্ব সম্পৰ্কে এতিয়াও মিচিংসকলে সচেতন হোৱা নাই। দেশ-বিদেশৰ পৰ্যটকক আকৰ্ষণ কৰাৰ থলী হিচাপে ব্যৱহাৰ কৰিবৰ বাবে মিচিংসকলে বসবাস কৰা ঠাইবোৰ যাতায়তৰ ফালৰ পৰা উপযোগী নহয়। মিচিংসকলৰ গুমৰাগ নৃত্য ঠাইবিশেষে আৰু কালবিশেষে অমিল হোৱা দেখা যায়। সেইফালৰ পৰা মিচিংসকলৰ নিজৰ ভিতৰতে 'অন্তঃসাংস্কৃতিক বিৰোধ' হোৱাৰ সম্ভাৱনীয়তা আছে। তদুপৰি এইক্ষেত্ৰত যথেষ্ট টকা-পইচাৰ প্ৰয়োজন হয়। সাংস্কৃতিক পৰ্যটনৰ থলী হিচাপে ব্যৱহাৰ কৰিবলৈ তেনে কিছুমান সমস্যা দেখিবলৈ পোৱা যায়।

মিচিংসকলৰ সাজ-পোছাকে দেশ-বিদেশৰ নানান পৰ্যটকৰ দৃষ্টি আকৰ্ষণ কৰা দেখা যায়। তেওঁলোকৰ পৰম্পৰাগত খাদ্য ছাই মদ, নামচিং, পুৰাং ভাত, খৰিকাত দিয়া গাহৰি মাংস আদি খাদ্যয়ো বিভিন্ন লোকক পৰিতৃপ্তি প্ৰদান কৰে। সেয়ে আলি-আই-লৃগাং আৰু পঃৰাগ উৎসৱক মিচিংসকলে কোনো এক নিৰ্দিষ্ট ঠাইত লৃগাং মহোৎসৱ বা পঃৰাগ মহোৎসৱ পালন কৰাৰ ব্যৱস্থা কৰিলে এই উৎসৱে পৰ্যটনৰ দিশত যথেষ্টখিনি সফলতা লাভ কৰাৰ সম্ভাৱনীয়তা আছে। তেনে মহোৎসৱত বাণিজ্যিক দিশৰ প্ৰতি লক্ষ্য ৰাখি পৰ্যটকৰ বাবে থকা-খোৱাৰ সু-ব্যৱস্থা কৰিলে যথেষ্টখিনি সফল হোৱাৰ সম্ভাৱনা আছে। মিচিংসকলৰ পৰম্পৰাগত সাজ-পোছাকে সম্প্ৰতি অসম তথা ভাৰতবৰ্ষৰ ভৌগোলিক পৰিসীমা অতিক্ৰম কৰি বিশ্বৰ বিভিন্ন ঠাইত সমাদৰ লাভ কৰা দেখা গৈছে। সেয়েহে মিচিংসকলৰ সাজ-পাৰ বিশেষকৈ এগে, ৰিবি গাচেং, মিবু গালুক, গাদু (মিৰিজিম) আদি সহজলভ্যকৰণত পাৰ পৰাকৈ তেনে উৎসৱত ব্যৱস্থা কৰিলে মিচিং বয়ন শিল্পীয়ে যথেষ্ট গুৰুত্ব পাব আৰু ই পৰ্যটনৰ সম্বল হিচাপে চিহ্নিত হ'ব।

**উপ-সংহাৰ ঃ**

ভাৰতবৰ্ষৰ অন্যান্য প্ৰদেশৰ দৰে উত্তৰ-পূৰ্বাঞ্চল তথা অসমৰ পৰ্যটন

ক্ষেত্ৰ হিচাপে এক সুকীয়া বৈশিষ্ট্য আছে। অসম প্ৰদেশ নানা জাতি-জনজাতি আৰু ভাষা-ভাষীৰ আবাসস্থলি হোৱা বাবে ইয়াৰ সাংস্কৃতিক গুৰুত্বও লেখত ল'বলগীয়া। বাবেবৰণীয়া অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনত অন্যান্য জনগোষ্ঠীৰ দৰে মিচিংসকলৰ সংস্কৃতিয়েও নানা দিশত উৎকৰ্ষ সাধন কৰি আহিছে। মিচিংসকলৰ কৃষিভিত্তিক লোক-উৎসৱ আলি-আই-লৃগাং আৰু পঃৰাগ মিচিংসকলৰ উপৰিও অন্যান্য জনগোষ্ঠীৰ লোকৰ বাবেও আদৰণীয় হৈ আহিব ধৰিছে। সেয়ে তেনে সংস্কৃতিক পৰ্যটনৰ থলী হিচাপে পৰ্যবেক্ষিত কৰিবৰ বাবে সচেতন মহলৰ কৰ্তব্য আছে।